AMAZING FACTS India


# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## মাতৃ-জীয়ৰীৰ এটি ষড়যন্ত্ৰ

মাৰ্ক ৬:১৭-২৯

## কাহিনী...



**হেৰোদ** ৰজাৰ পত্নি হেৰোদিয়াই যোহন ডুবকক ঘৃণা কৰিছিল। অসত অথচঃ সম্পদশালী তাইৰ স্বামী ফিলিপৰ ভাতৃক বিয়া কৰিবলৈ তাই ফিলিপক ত্যাগ কৰাৰ নিমিত্তে অৰণ্য-নিবাসী ভাৱবাদী গৰাকীয়ে তাইক এজনী ব্যভিচাৰী তিৰোতা বুলি কবলৈ সাহস কৰিছিল। এতিয়া দুষ্ট তিৰোতা জনীয়ে যোহনৰ ওপৰত প্ৰতিশোধ লবলৈ হেৰোদৰ ওপৰত তাইৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ মন নিৰ্নয় কৰিছিল। প্ৰথমতে, তাই যোহনক বন্দীশালত ৰাখিবলৈ তেওঁক সৈমান কৰিছিল। তাৰ পাছত তাই যোহনক মৃত্যু দন্ড দিবলৈ কৈছিল, কিন্তু হেৰোদ মান্তি হোৱা নাছিল। তেওঁ জানিছিল যে যোহন এজন প্ৰকৃত ভাৱবাদী আছিল আৰু লোকসমুহৰ পৰা ৰাজনৈতিক সমস্যা আহিব বুলি ভয় খাইছিল।

অৱশেষত, হেৰোদিয়াই এটা অভেদ্য প্ৰবঞ্চনাৰ আচনি তৈয়াৰ কৰিছিল। তাই হেৰোদৰ জন্মদিনৰ বাবে এটা পাৰ্টি দিছিল আৰু এই পাৰ্টিলৈ তেওঁৰ সকলো বন্ধু আৰু ৰাজ্যৰ সকলো বিষয় ববীয়া গুণী-জ্ঞানী সকলক নিমন্ত্ৰন কৰিছিল আৰু তাৰ পাছত তাইৰ অতি সুন্দৰী জীয়ৰী ছালমিক মন ভুলুৱা আৰু বিমোহিত কৰা শৈলীত নাচিবলৈ সজায়-পৰাই আগবঢ়াই দিছিল। হেৰোদিয়াই আশা কৰিছিল যে হেৰোদে কেই গিলাছমান সুৰাপান কৰাৰ পাছত, তেওঁ ছালমিক তাইৰ মন-মোহিনী নৃত্যৰ বাবে কি পুৰস্কাৰ লাগে তাক সুধিব।

তাইৰ অমঙ্গলীয় পৰিকল্পনাটোৱে কাম দিছিল। ছালমিৰ নৃত্যৰ পাছত, হেৰোদে এটা দাম্ভিক শপত লৈছিল: "মোৰ ৰাজ্যৰ আদখিনিলৈকে যিহকে খোজা, তাকে তোমাক দিম" (মাৰ্ক ৬:২৩)। মাতাল অতিথি বিলাকে যেতিয়া ৰজাৰ দানশীলতাৰ কাৰনে হাত চাপৰি বজাই বজাই শলাগ লৈ আছিল, সেই ছোৱালী জনীয়ে তাইৰ উত্তৰ দিবলৈ সাজু হৈ থিয় হৈছিল। তাৰ পাছত এখন থালত যোহনৰ মূৰটো খোজাৰ দ্বাৰাই তাই সকলোকে উচপ খুৱাইছিল! এই ভয়ঙ্কৰ অনুৰোধটিৰ দ্বাৰাই হেৰোদ বিচূৰ্ত্তি খাইছিল, কিন্তু উচপ খোৱা তেওঁৰ সকলো বন্ধুৱেই তেওঁৰ উত্তৰটোলৈ চাই আছিল। যদি তেওঁ অমান্তি হয় তেন্তে তেওঁ সকলোৰে দেখাত দুৰ্ব্বল বুলি ওলাই পৰাৰ ভয়ত, অহংকাৰী ৰজাজনে অনিচ্ছা স্বত্তেও আদেশটো দিছিল। সেইটো দিনতেই প্ৰতাপী ভাৱবাদী যোহনক কাৰাগাৰত শিৰচ্ছেদ কৰা হৈছিল।

ঈশ্বৰৰ লোকবিলাকক তাড়ণা কৰিবলৈ এজনী মাতৃ আৰু জীয়ৰীয়ে একেলগ হৈ শাসনযন্ত্ৰক ব্যৱহাৰ কৰা এইটোৱেই প্ৰথম ঘটনা নহয়।



পাঠ নং-১৮

# অধ্যয়ণ

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়ি খালী ঠাইবোৰ পুৰন কৰা।*

## ১. পুৰনি নিয়মত আন কোন কোন মাক আৰু জীয়েকে ঈশ্বৰৰ লোকসকলক তাড়ণা কৰিছিল?

**১ম ৰাজাৱলি ১৮:১৩** ____________________ *ঈশ্বৰ যিহোৱাৰ ভাৱবাদীবিলাকক হত্যা কৰিছিল।*

**২য় ৰাজাৱলি ১১:১** ____________________ *যেতিয়া তেওঁৰ পুতেকক মৰা দেখিলে, তেতিয়া তেওঁ উঠি গোটেই ৰাজ-বংশকে সংহাৰ কৰিলে।*

টোকা: পুৰনি নিয়মত, ঈজেবল আৰু তাইৰ জীয়েক অথলিয়া, ইস্ৰায়েলৰ উত্তৰ আৰু দক্ষিনৰ ৰাজ্য আৰু যিহুদাক প্ৰবল অত্যাচাৰীভাৱে নিয়ন্ত্ৰণ কৰা আৰু ঈশ্বৰৰ লোকসকলৰ ওপৰত বলপূৰ্ব্বকভাৱে বাল-দেৱতাৰ পূজা-অৰ্চনা জাপি দিয়া কাৰ্য্যৰ নিমিত্তে জনাজাত হৈ পৰিছিল।

## ২. প্ৰকাশিতবাক্য ১৪ অধ্যায়ত থকা দ্বিতীয় স্বৰ্গদূত জনৰ বানীটো কি?

**প্ৰকাশিতবাক্য ১৪:৮** *পাছে আন দ্বিতীয় দূত এজনে তেওঁৰ পাথে পাছে ফুৰি কলে, যি বাবিলে নিজ ব্যভিচাৰৰ ক্ৰোধৰূপ দ্ৰাক্ষাৰস সকলো জাতিক পান কৰাইছিল, সেই* ____________________ *পৰিল,* ____________________ */*

টোকা: প্ৰকাশিতবাক্য ১৪ অধ্যায়ত তিনি খলপীয়া এটা অতি জৰুৰী বানী আছে যি যীচুৰ দ্বিতীয় আগমনৰ পূৰ্ব্বে সমগ্ৰ পৃথিৱীৰ ঠাই সমুহলৈ গৈ পাব লাগিব। এই পাঠটিত আমি সেই বানীটোৰ দ্বিতীয় খলপটোক চামহক। ঈশ্বৰে বাবিলক অপৰাধী কৰিছে কাৰন তাই সকলো জাতিকে তাইৰ উন্মত্ততাৰ দ্ৰাক্ষাৰসেৰে সকলোকে মতলীয়া কৰিছে। এই পাঠটিয়ে কিছুমান অতি পোনপটীয়া আৰু হয়তো কেথলিক আৰু প্ৰটেষ্টান বিশ্বাসী উভয়ৰ বাবেই মনত আঘাত লগা বানী কব। সোৱৰণ কৰিব যে এই দ্বিতীয় স্বৰ্গদূতৰ বানীটো স্বয়ং যীচুৰ পৰা অহা বানী হয়, যি জনাক আমি সকলোৱেই প্ৰেম কৰো। তেওঁৰ সত্যতাৰ প্ৰতি আপোনাৰ হৃদয় খুলি দিয়ক, কাৰন তেওঁৰ একমাত্ৰ লক্ষ্য হৈছে আপোনাক পৰিত্ৰাণ আৰু আৰ্শীবাদ কৰা।

## ৩. প্ৰকাশিতবাক্য ১৭ অধ্যায়ত ঈশ্বৰে বাবিলক কি প্ৰতীকেৰে চিহ্নিত কৰিছে?

**প্ৰকাশিতবাক্য ১৭:১৮** *আৰু তুমি যি* ____________________ *দেখিলা, তাই পৃথিবীৰ ৰজাসকলৰ ওপৰত ৰাজত্ব পোৱা সেই মহা-নগৰ।*

টোকা: বাইবেল ভাৱবানীত এজনী তিৰোতা হৈছে এটা মন্ডলিৰ প্ৰতীক চিহ্ন। এজনী সতী তিৰোতাই ঈশ্বৰৰ প্ৰকৃত মন্ডলিটোক সূচায় যেনেকৈ প্ৰকাশিতবাক্য ১২ অধ্যায়ত ব্যাখ্যা কৰা হৈছে। এজনী অবিশ্বাসী বা অসতী তিৰোতাই সেই মন্ডলিটোক সূচায় যি শাস্ত্ৰৰ্য্য বাক্যৰ পৰা আতৰি গৈছে। এই পতিত তিৰোতা জনী কোন হয় তাক নিশ্চিত কৰিব পাৰোঁ, কাৰন প্ৰকাশিতবাক্য ১৭:১৮ পদে কৈছে যেতিয়া প্ৰকাশিতবাক্য পুস্তকখন লিখা হৈছিল তাই তেতিয়া ৰাজত্ব কৰি আছিল। বুৰন্জীয়ে আমাক কয় ই পৌত্তলিক ৰোম আছিল (লূক ২:১) যি অৱশেষত ইয়াৰ একতিয়াৰ, ৰাজধানী নগৰ, আৰু ক্ষমতা পোপীয় ৰোমক প্ৰদান কৰিছিল।

## ৪. প্ৰকাশিতবাক্য ১৭ অধ্যায়ৰ পৰা পোৱা আন কি কি প্ৰমানে প্ৰমান কৰে যে বাবিলেই পোপীয় ৰোমক বুজায়?

**ক.** *তাই ঈশ্বৰ নিন্দাৰ অভিযোগেৰে অপৰাধী (৩. পদ)।*

**খ.** *তাই বেঙেনা আৰু সেন্দুৰ বৰনীয়া বস্তৃৰ পৰিহিতা (৪. পদ)।*

**গ.** *তাইক মাতৃ বুলি কোৱা যায় (৫. পদ)।*

**ঘ.** *তাইৰ বেশ্যা জীয়ৰী আছে যিবিলাকেও পতিত (৫. পদ)।*

**ঙ.** *তাই সাধু-সন্ত, ধাৰ্ম্মিক সকলক তাড়ণা আৰু স্বহীদ হবলগীয়া কৰিছিল (৬. পদ)।*

**চ.** *তাই "সাত পৰ্ব্বতৰ" ওপৰত বহিছে (৯. পদ)।*

**ছ.** *তাই "পৃথিবীৰ ৰজা সকলৰ" ওপৰত ৰাজত্ব কৰিছিল (১৮. পদ)।*

**টোকা:** প্ৰতিটো বিবৰনৰ সৈতে পোপীয় ৰোম মিল খায়। ইয়াৰ মুখ্যকাৰ্য্যালয় হৈছে ৰোম-সাত পৰ্ব্বতৰ নগৰ। সেন্দুৰ বৰনীয়া বস্তৃৰ হৈছে কাৰ্ডিনেল বিলাকৰ (কেথলিক ধৰ্ম্মৰ প্ৰবৰ্ত্তক)সাজ-পোচাক আৰু বিশেষ গুৰুত্বপূৰ্ণ কাৰ্য্যবোৰত পোপে প্ৰায়েই বেঙেনা বৰনীয়া ৰাজকীয় সাজ পৰিধান কৰে। ৰোমান মন্ডলিটোৱে মুক্তকন্ঠে স্বীকাৰ কৰে যে মধ্যযুগৰ কালচোৱাত, তাই সাধু-সন্ত, ধাৰ্ম্মিক সকলক তাড়ণা কৰিছিল আৰু পৃথিবীৰ ৰজাসকলৰ ওপৰত ৰাজত্ব কৰিছিল। (প্ৰমানৰ বাবে পুনৰিবীক্ষণ কৰা পাঠ নং-১৯ পোপীয় ব্যৱস্হা ঈশ্বৰ নিন্দাৰ অভিযোগত জগৰীয়া চাওক)। ঈশ্বৰৰ প্ৰতীক চিহ্ন সম্পূৰ্ণৰূপে মিল খায়-এটা পতিত মাতৃ মন্ডলি যাৰ পতিত জীয়ৰীবিলাকে প্ৰতিবাদ (প্ৰটেষ্ট) কৰিছিল আৰু এইদৰে প্ৰটেষ্টান নাম পাইছিল। ফাদাৰ জেমচ অব্ৰেইনৰ উক্তিটোলৈ মন কৰিবঃ সেই ৰীতি পালন (শনিবাৰৰ পৰিবৰ্ত্তে দেওবাৰ পালন কৰা) মাতৃ মন্ডলিৰ এটা স্মৰন কাৰক হিচাপে ৰৈ যাব যৰ পৰা অ-কেথলিক সম্প্ৰদায় ভগ্ন হৈ আতৰি গৈছিল [The faith of Millions (Huntington, IN: Our Sunday Visitor, Inc. 1974) p.401]

## ৫. প্ৰকাশিতবাক্যৰ ১৩ আৰু ১৭ অধ্যায়ৰ পশুবোৰক কেনেকৈ তুলনা কৰা হয়?

**প্ৰকাশিতবাক্য ১৩:১** *পাছে মই সাগৰৰ পৰা এটা পশুক উঠা দেখিলোঁ তাৰ দহোটা* ____________________, *সাতোটা* ____________________ *আছিল, তাৰ শিঙত দহোটা কিৰীটি, আৰু তাৰ মূৰত* ____________________ *নাম কিছুমান আছিল।*

**প্ৰকাশিতবাক্য ১৭:৩** *তাতে* ____________________ *নামেৰে পৰিপূৰ্ণ হোৱা, আৰু সাতোটা* ____________________, *দহোটা* ____________________ *থকা এটা সেন্দুৰ বৰনীয়া পশুৰ ওপৰত বহি থকা এজনী তিৰোতা দেখিলোঁ।*

**টোকা:** প্ৰকাশিতবাক্য ১৩:১-১০ পদবোৰত বৰ্নিত যি পশু আৰু প্ৰকাশিতবাক্য ১৭ অধ্যায়ত বৰ্নিত যি পশু স্পষ্টৰূপত একেটাই। উভয়েই এই ৰোমান ক্ষমতাক সূচাইছে। প্ৰকাশিতবাক্য ১৭ অধ্যায়টোৱে মন্ডলি (পশুৰ ওপৰত বহি থকা পতিত তিৰোতা) আৰু ৰাজ্যৰ (তাই নিয়ন্ত্ৰন কৰি থকা পশু) সৈতে হোৱা মন্ডলি-ৰাজ্যৰ মিত্ৰযোটক দেখুৱাই দিছে। প্ৰকাশিতবাক্য ১৩ অধ্যায়টোৱেও দুটা পশুক দেখুৱাইছে যি প্ৰণিপাত কৰিবলৈ আনসকলক বলপ্ৰয়োগ কৰাত জৰীত হৈছে। প্ৰথম পশুটো প্ৰকাশিতবাক্য ১৭ অধ্যায়ত ব্যাখ্যা কৰাৰ দৰে "বেশ্যা মাতৃৰ" দৰেই একে ক্ষমতাৰ। এই পাঠটিয়ে অতি শীঘ্ৰে দ্বিতীয় পশুটোৰো পৰিচয় দাঙি ধৰিব।

## ৬. বাবিলৰ মূল শব্দটো আৰু ইয়াৰ অৰ্থটো কি বাৰু?

**আদিপুস্তক ১১:৪, ৬, ৭, ৯** *আহা আমি নিজলৈ এখন নগৰ আৰু আকাশ লজ্ঘা এটা ওখ ঘৰ নিৰ্ম্মান কৰি ... যিহোৱাই কৈছিল ... আহা আমি নামি, সিহঁতৰ এজন আন জনৰ মাত বুজিব নোৱাৰাকৈ সেই ঠাইত সিহঁতৰ ভাষাৰ ভেদ জন্মাওঁগৈ ... এই হেতুকে তাৰ নাম বাবিল (ভেদ) ৰখা হল; কিয়নো সেই ঠাইতে যিহোৱাই গোটেই পৃথিবীৰ ভাষাৰ ______________________ ______________________ ।*

**টোকা:** “বাবেল” আৰু “বাবিল” শব্দ দুটাৰ উভয়ৰে অৰ্থ হৈছে “ভেদ বা বিবুদ্ধি বা খেলিমেলি”। বাবেলৰ ওখ ঘৰ অৰ্থাত অতি উচ্চ স্তম্ভটোতেই ইয়াৰ নামটো উতপতি হৈছিল আৰু ইয়াক জলপ্লাৱনৰ পাছত ফেপেৰি পতা দেৱ-পূজকসকলৰ দ্বাৰাই নিৰ্ম্মান কৰা হৈছিল। ভৱিষ্যতে কোনো জলপ্লাৱনৰ পানীয়েই ইয়াক বুৰাই পেলাব নোৱাৰা অৱস্হাত ইয়াক অতি ওখকৈ নিৰ্ম্মান কৰিবলৈ তেওঁবিলাকে আশা ৰাখিছিল। কিন্তু ঈশ্বৰ যিহোৱাই সিহঁতৰ ভাষাৰ ভেদ জন্মাইছিল, যিটোৱে এনে খেলিমেলি সৃষ্টি কৰিছিল যে সেই আচনিটোকে পৰিত্যাগ কৰবলগীয়া হৈছিল। বাবিল পৰবৰ্ত্তী সময়ত বিশ্বত এখন মূৰ্ত্তীপূজক ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছিল যি ঈশ্বৰৰ লোকবিলাকক তাড়ণা কৰিছিল। প্ৰকাশিতবাক্যত “বাবিল” শব্দটোৱে নকল ধৰ্ম্মীয় ৰাজ্য হিচাপে এটা অৰ্থ ধাৰণ কৰিছে যিটো হৈছে ঈশ্বৰৰ আত্মিক ইস্ৰায়েলৰ এটা শত্ৰু।

## ৭. ঈশ্বৰে তেওঁৰ লোকবিলাকক বাবিলৰ পৰা ওলাই আহিবলৈ জোৰ কৰোতে বাবিলৰ বিষয়ে কেনেকৈ বৰ্ণনা কৰিছে?

**প্ৰকাশিতবাক্য ১৮:২, ৪** *তেওঁ বলৱান মাতেৰে ৰিঙিয়াই কলে, বাবিল মহা-নগৰ পৰিল, ______________________ আৰু ভূতবিলাকৰ বাসস্হান, আৰু সকলো অশুচি আত্মাৰ কয়দখানা, আৰু আটাই অশুচি ঘিণলগীয়া চৰাইৰ পিজঁৰা হল ... হে মোৰ লোকসকল, তোমালোকে যেন তাইৰ পাপৰ ভাগী নোহোৱা, তাইৰ উতপাতৰ ভাগ নোপোৱা, এই কাৰনে তাইৰ পৰা ______________________ ।*

**টোকা:** ঈশ্বৰে কৈছে যে বাবিল পৰিল আৰু ভূতবিলাকৰ আৰু সকলো অশুচি আত্মাৰ বাসস্হান হল। তেওঁ সতৰ্ক কৰি দিছে যে তাইৰ পাপবোৰ ইমানেই ঘৃণনীয় যে বাবিলক ধ্বংশ কৰিবই লাগিব। ঈশ্বৰৰ লোকবিলাক ইয়াৰ পৰা ওলাই আহিবই লাগিব অন্যথা বাবিলৰ উতপাতৰ লগতে বিনষ্ট হব লাগিব।

## ৮. যীচুৱে বাবিলক, তাইৰ দ্ৰাক্ষাৰসেৰে জগতখনকেই মতলীয়া কৰাৰ কাৰনে বাৰে বাৰে জগৰীয়া কৰিছে। এই দ্ৰাক্ষাৰসটোনো কি?

**প্ৰকাশিতবাক্য ১৭:৪** *তাইৰ হাতত ________________________________________ বস্তুৰে আৰু তাইৰ ব্যভিচাৰৰূপ মলিৰে পৰিপূৰ্ণ এক সোনালী পানপাত্ৰ আছিল কেজিভি।*

**টোকা:** তাইৰ দ্ৰাক্ষাৰসৰ পানপাত্ৰটো ৰাগীয়াল কৰা মিঠ্যাচাৰেৰে পৰিপূৰ্ণ (হিতোপদেশ ১২:২২), বা মিছা শিক্ষাৰে পৰিপূৰ্ণ যিয়ে লোকসমুহক আত্মিকভাৱে ৰাগীয়াল কৰিছে। ইয়াত তাইৰ ছলনাময় মিছাৰ কেইটামান তালিকা দিয়া হল:

ক. দহআজ্ঞা কেইটা বান্ধ খায় থকা নাই (পাঠ নং-৬ চাওক)
খ. ৰবিবাৰৰ পবিত্ৰতা (পাঠ নং-২০ চাওক)
গ. গোপনে তুলি নিয়া (পাঠ নং-১ চাওক )
ঘ. আত্মাৰ অমৰণশীলতা (পাঠ নং-৯ চাওক)
ঙ. নৰকত অনন্তকালীয়া যাতনা (পাঠ নং-১৩ চাওক)
চ. আপোনাৰ পাপবোৰ এজন পুৰোহিতৰ আগত স্বীকাৰ কৰা (পাঠ নং-১৯ চাওক)

ছ. নকল বাপ্তিস্ম (পাঠ নং-১২ চাওক)

জ. পৰভাষা কোৱাত খেলিমেলি (পাঠ নং-২১ চাওক)।

অতি দুখজনক সত্যটো এয়ে যে বাবিলৰ বানীবোৰক এবাৰ যদি কেনেবাকৈ গ্ৰহন কৰা হয়, সেই ব্যক্তিজন আত্মিকভাৱে এনেকৈ মতলীয়া হয় যে বাইবেলে কি কৈছে তাক তেওঁ প্ৰকাৰন্তেৰে বুজিবলৈ অসমৰ্থ হয়, কাৰন এই মিছা ধৰ্ম্মতত্ববোৰে এজন ব্যক্তিৰ সত্যতা বুজি পোৱাৰ বৌধিক শক্তিক ভোদা কৰে।

## ৯. অন্তিম সময়ত কি ক্ষমতাই সেই পশুক সহায় কৰিব?

**প্ৰকাশিতবাক্য ১৩:১১, ১২** *তাৰ পাছত মেৰ পোৱালিৰ নিচিনা দুটা শিং থকা, আৰু নাগৰ নিচিনা কথা কোৱা ______________________ ______________________ পৃথিবীৰ পৰা উঠা দেখিলোঁ। সি প্ৰথম পশুৰ সকলো ক্ষমতা তাৰ সাক্ষাতে ব্যৱহাৰ কৰে আৰু যি প্ৰথম পশুৰ মৃত্যু-জনক ঘা সুস্থ কৰা হল, পৃথিবী আৰু তাত নিবাস কৰা সকলোকে, তাক প্ৰণিপাত কৰায়।*

**টোকা:** নিজৰ ককাল-বান্ধি লওক! প্ৰকাশিতবাক্য ১৩ অধ্যায়ৰ দ্বিতীয় পশুটোৱা আমেৰিকা যুক্ত ৰাষ্ট্ৰক সূচায়। প্ৰমানবোৰ বিবেচনা কৰি চাওক।

**ক.** *যি সময়ত ইয়াৰ উত্থান হৈছিল।*

ঈশ্বৰে এই ক্ষমতাক প্ৰায় সেই একে সময়তে উত্থান হোৱা বুলি ব্যাখ্যা কৰিছিল যি সময়ত প্ৰথম পশুটোক বন্দীশাললৈ নিয়া হৈছিল আৰু ইয়াৰ মৃত্যুজনক ঘা লাভ কৰিছিল (প্ৰকাশিতবাক্য ১৩:১০, ১১)। ১২৬০ বছৰৰ অন্ত পৰাৰ সময়ত, (যিটো সময় আছিল ১৭৯৮ চন) পোপীয় ক্ষমতা ভগ্নপ্ৰায় হৈছিল আৰু প্ৰায় এইখিনি সময়তে আমেৰিকা যুক্ত ৰাষ্ট্ৰৰ উত্থান ঘটিছিল। আমেৰিকাই ইয়াৰ স্বাধীনতাক ১৭৭৬ চনত ঘোষণা কৰিছিল, ১৭৮৭ চনত সংবিধানত ভোটদান কৰিছিল, ১৭৯১ চনত বিল অফ ৰাইটচ গ্ৰহন কৰিছিল, আৰু ১৭৯৮ চনত অতি স্পষ্টকৈ এটা বিশ্ব শক্তি হিচাপে পৰিগণিত হৈছিল।

**খ.** *পৃথিবীৰ পৰা ইয়াৰ উত্থান হৈছিল*

আমি আগতে অধ্যয়ণ কৰিলো যে, যি পানীৰ পৰা প্ৰায়বিলাক ৰাজ্যৰ (পশু) উত্থান হৈছিল সেই পানীয়ে এটা ঘন জন-বসতিপূৰ্ণ অঞ্চলক বুজাইছিল (প্ৰকাশিতবাক্য ১৭:১৫)। পৃথিবীয়ে তাৰ বিপৰীতটোক সূচায়। আমেৰিকা যুক্ত ৰাষ্ট্ৰই এই বিশেষ অৱস্হাটোৰ লগত সম্পূৰ্ণকৈ মিল খায় কাৰন ই পাতল জন-বসতি থকা এখন মহা-দেশত প্ৰতিষ্ঠা হৈছিল।

**গ.** *মেৰ পোৱালিৰ নিচিনা ইয়াৰ দুটা শিং আছিল।*

ভাৱবানীত, এটা মেৰ পোৱালিয়ে যীচুক বুজায় আৰু এটা শিঙে ক্ষমতাক বুজায়। প্ৰকান্ড শিং দুটাই প্ৰটেষ্টান্টৰ মূলনীতি দুটাক বুজায় যাৰ ওপৰত আমেৰিকা প্ৰতিষ্ঠিত হৈছিল- অসামৰিক আৰু ধৰ্ম্মীয় স্বাধীনতা। ইয়াৰ প্ৰতিষ্ঠাপক পিতৃ সকলে ধৰ্ম্মীয় আৰু ৰাজনৈতিক তাড়ণাৰ পৰা ৰক্ষা পাবলৈ ইউৰোপৰ পৰা পলাই গৈছিল। তেওঁবিলাকে এই দুটা মূলনীতি অসামৰিক আৰু ধৰ্ম্মীয় স্বাধীনতাৰ পৃষ্ঠভুমিৰ ওপৰত এখন সমাজ প্ৰতিষ্ঠা কৰিছিল-এজন ৰজাবিহীন চৰকাৰ আৰু এজন পোপবিহীন ধৰ্ম্ম।

## ১০. ভাৱবানীৰ মতে, আমেৰিকাত কি খৰতকীয়া পৰিবৰ্ত্তন ঘটিব?

**প্ৰকাশিতবাক্য ১৩:১১** *আৰু সি* ______________________ ______________________ *কথা কয়।*

**টোকা:** নাগৰ নিচিনা কথা কোৱাৰ অৰ্থ হল, আমেৰিকা যুক্ত ৰাষ্ট্ৰই চয়তানৰ স্বভাৱৰ কৰলত পৰি মন্ডলি আৰু ৰাষ্ট্ৰৰ পৃথকে থকাৰ প্ৰটেষ্টান্টৰ যি মূলনীতি তাক ওলত পালত কৰিব। ই এনেকুৱা ধৰ্ম্মীয় আইন প্ৰণয়ন কৰিব যি বিবেকৰ বিপৰীতে সেৱা উপসনা কৰিবলৈ লোকসমুহক বলপ্ৰয়োগ কৰিব অন্যথা আৰ্িথক প্ৰতিবন্ধক লগাই শাস্তি বিহিব (১৬, ১৭ পদ) আৰু অৱশেষত মৃত্যু (১৫. পদ)।

## ১১. অন্তিম সময়ত ঈশ্বৰৰ লোকবিলাকৰ বিৰুদ্ধে কি কি তিনিটা ক্ষমতা একত্ৰিত হব ?

**প্ৰকাশিতবাক্য ১৬:১৩** *পাছে সেই* ______________________ *মুখৰ পৰা,* ______________________ *মুখৰ পৰা আৰু* ______________________ ______________________ *মুখৰ পৰা, বেঙৰ সদৃশ তিনিটা অশুচি আত্মা ওলোৱা দেখিলোঁ।*

**টোকা:** সেই নাগ হৈছে চয়তান (প্ৰকাশিতবাক্য ১২:৯),যি দেৱপূজক ধৰ্ম্মবোৰৰ যোগেদি কাম কৰি আছে। প্ৰকাশিকবাক্য ১৩:১-১০ পদবোৰৰ পশুটো হৈছে পোপীয় ব্যৱস্হা। প্ৰকাশিতবাক্য ১৬ অধ্যায়ৰ ভাঁৰিকোৱা ভাৱবাদী হৈছে আমেৰিকাত থকা ধৰ্ম্মভ্ৰষ্ট প্ৰটেষ্টান্টবাদ, যি প্ৰকাশিতবাক্য ১৩:১১-১৭ পদবোৰত পোৱা মেৰপোৱালিৰ নিচিনা দুটা শিং থকা কিন্তু পাছত নাগৰ নিচিনা কথা কোৱা পশুটোৰ দৰে একে ক্ষমতাযুক্ত। এইটোৱেই সেই ক্ষমতা যিয়ে নানা মহত চিন দেখুৱায় আৰু সেই পশুৰ সাক্ষাতে যি যি চিন দেখুৱাবৰ ক্ষমতা তাক দিয়া হল, তাৰ দ্বাৰাই সি পৃথিবী নিবাসীবিলাকৰ ভ্ৰান্তি জন্মায়; প্ৰকাশিতবাক্য ১৩:১৩, ১৪ (প্ৰকাশিতবাক্য ১৯:২০ পদত দিয়া ভাঁৰিকোৱা ভাৱবাদীৰ সৈতে তুলনা কৰক)।

## ১২. বেলেগ বেলেগ প্ৰকাৰৰ এই সংগঠনবোৰ কেতিয়াবা ফলপ্ৰসুভাৱে একত্ৰিত হব পাৰিব নে?

**প্ৰকাশিতবাক্য ১৬:১৪** *সিহঁত ভূতবোৰৰ আত্মা, আচৰিত চিন দেখুৱাওঁতা সিহঁতে সৰ্ব্বশক্তিমান ঈশ্বৰৰ সেই মহা-দিনৰ যুদ্ধলৈ* ______________________ *জগতৰ* ______________________ *সকলক গোট খুৱাবৰ কাৰনে তেওঁবিলাকৰ ওচৰলৈ ওলাই যায়।*

**টোকা:** হয়, ঈশ্বৰে কৈছে সিহঁতে একত্ৰিত হব। মন কৰিব যে সিহঁতে সিহঁতৰ প্ৰৱঞ্চনাৰ কাৰ্য্য সম্প্ৰসাৰন কৰাতহে একত্ৰিত হব আৰু ঈশ্বৰৰ লোকবিলাকৰ বিৰুদ্ধে এটা অভিসন্ধি ৰচনা কৰিব। নাগে সেই তিৰোতাৰ বংশৰ অৱশিষ্ট বিলাকৰ সৈতে যুদ্ধ কৰা ঘটনাটোৰ নিচিনা সৰ্ব্বশক্তিমান ঈশ্বৰৰ সেই মহা-দিনৰ যুদ্ধখনৰ ঘটনাটোও একে হব (প্ৰকাশিতবাক্য ১২:১৭)।

## ১৩. অন্তিম দিনৰ এই মিত্ৰযোটে কি ফলপ্ৰসু পদ্ধতি প্ৰয়োগ কৰিব?

**প্ৰকাশিতবাক্য ১৬:১৪** *সিহঁত ভূতবোৰৰ আত্মা, আচৰিত* ______________________ *দেখুৱাওঁতা।*

**প্ৰকাশিতবাক্য ১৩:১৩, ১৪** *আৰু নানা মহত* ______________________ *দেখুৱায়; এনেকি, মানুহবিলাকৰ সাক্ষাতে স্বৰ্গৰ পৰা পৃথিবীলৈ অগ্নি নমায়। এইদৰে সেই পশুৰ সাক্ষাতে যি যি চিন দেখুৱাবৰ ক্ষমতা তাক দিয়া হল, তাৰ দ্বাৰাই সি পৃথিবী নিবাসীবিলাকৰ* ______________________ *জন্মায।*

**টোকা:** অন্তিম সময়ৰ এই মিত্ৰযোট টোৱে ভূতবোৰৰ আত্মাৰ দ্বাৰাই অভাৱনীয় আচৰিত কাৰ্য্য কৰিব আৰু প্ৰায় সমগ্ৰ জগতখনেই পতিয়নো যাব (প্ৰকাশিতবাক্য ১৩:৩) আৰু প্ৰতাৰিত হব। প্ৰকাশিতবাক্য ১৮:২৩ পদে এইবুলি কৈছে, "কাৰন তোমাৰ মায়াকৰ্ম্মৰ দ্বাৰাই সকলো জাতিবিলাক ভ্ৰান্ত হল"।

### ১৪. ঈশ্বৰৰ অন্তিম সময়ৰ লোকবিলাকক কিহে প্ৰতাৰিত হোৱাৰ পৰা ৰক্ষা কৰিব?

**যিচয়া ৮:২০** ____________________ *(বিধান) আৰু* ____________________ *সোধা এই বাক্য অনুসাৰে যদি লোকবিলাকে নকয়, তেন্তে ইয়াৰ কাৰন হৈছে তেওঁবিলাকত পোহৰ নাই (কেজিভি)।*

**টোকা:** ঈশ্বৰৰ লোকবিলাকে সকলোবোৰকে বাইবেলৰ দ্বাৰাই পৰীক্ষা কৰাতো প্ৰয়োজন হব। তেওঁবিলাকে প্ৰতাৰিত নোহোৱাকৈ থাকিব, কাৰন যিবোৰ আচৰিত কাৰ্য্য কৰা হব আৰু উপদেশ আগবঢ়োৱা হব, সেইবোৰ ভূতবোৰৰ আত্মাৰ পৰা নে ঈশ্বৰৰ পৰা আহিছে তাক নিৰূপন কৰিবলৈ তেওঁবিলাকে ঈশ্বৰৰ বাক্যৰ দ্বাৰাই পৰীক্ষা কৰিব।

# আপোনাৰ সহাৰি

*আজি, ঈশ্বৰে তেওঁৰ লোকবিলাকক বাবিলৰ পৰা ওলাই আহি তেওঁৰ অৱশিষ্ট মন্ডলিত সোমাই নিৰাপদ হবলৈ মাতি আছে। তেওঁ কৈছে, যিবিলাকে বাবিলতে ৰৈ যাব, তেওঁবিলাকে তাইৰ পাপবোৰৰ আৰু উতপাত বোৰৰ ভাগ পাব। নোহৰ দিনত, মাত্ৰ আঠ গৰাকী মানুহহে নাওঁখনত সোমাইছিল আৰু ঈশ্বৰে তেওঁলোকক পৰিত্ৰাণ প্ৰদান কৰিছিল। বাকী সকলোবিলাক বিনষ্ট হৈছিল। আজিয়ো তেওঁ নিৰাপত্তা পাবলৈ নাওঁ হিচাপে তেওঁৰ অৱশিষ্ট মন্ডলিটোক আগবঢ়াই দিছে, আৰু অযুত অযুত লোকে ইয়াৰ ভিতৰত সোমায়ো আছে। যীচুৱে আপোনাকো এইবুলি নিমন্ত্ৰন জনাই আছে, "তুমি আৰু তোমাৰ ঘৰৰ আটাই পৰিয়ালে জাহাজত সোমোৱাহি" আদিপুস্তক ৭:১ কেজিভি। তেওঁৰ এই নিমন্ত্ৰনটিৰ প্ৰতি সহাৰি জনাই, আপুনি আজিয়েই এইবুলি কবনে "হয় মই আহিছো"?*

**উত্তৰ:** ____________________

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## ইউ এছ এ আৰু ৰোম কিমান ক্ষমতাশালী বাৰু?

প্ৰকাশিতবাক্য ১৩ অধ্যায়ে বিশেষভাৱে দেখুৱাইছে যে, অন্তিম সময়ত, পোপীয় ব্যৱস্হা আৰু ইউনাইটেত ষ্টেটচ একেলগ হৈ সেই পশুটোক প্ৰণিপাত কৰিবলৈ সমগ্ৰ জগতখনকে প্ৰভাৱিত কৰিব। ইয়াক সম্পাদন কৰিব পৰাকৈ এই মিত্ৰবন্ধন শক্তিশালী নে?

পোপীয় ব্যৱস্হাটো ধৰ্ম্মীয়-ৰাজনৈতিক ক্ষমতা হিচাপে বিশ্বৰ ভিতৰতেই আমি ভৱাতকৈয়ো অধিক শক্তিশালী। বিশ্বৰ আগশাৰীৰ প্ৰায় প্ৰতিখন ৰাষ্ট্ৰৰেই এজন অফিচিয়েল ৰাষ্ট্ৰদূত বা ৰাজ্য প্ৰতিনিধি ভেটিকানত থাকে। প্ৰকাৰন্তেৰে সকলো দেশৰ দ্বাৰাই পোপক মান-ভক্তি আৰু আদৰনি জনোৱা হয়। পুৰ্ব্ব ইউ এচ এচ আৰ লীডাৰ মিখাইল গৰ্ব্বাছভে কৈছিল, “অলপতে পাৰ হৈ যোৱ বছৰ কেইটাত পূব ইউৰোপত যি যি ঘটি গল সেই আটাইবোৰেই পোপৰ প্ৰচেষ্টাৰ আৰু দুৰন্ত ভুমিকাৰ অবিহনে, অসম্ভৱ হলহেতেন, এনেকি ৰাজনৈতিক ভুমিকাৰ ক্ষেত্ৰটো যিটোক তেওঁ পালন কৰিছে সেইটোও সম্ভৱ নহলহেতেন [Toronto Star, March 9, 1992, p.A-1]। এইটো শতিকাৰ শেষৰফালে পোপীয় ব্যৱস্হাৰ অধীনত পোপে ধৰ্ম্মীয় জগতখনক একত্ৰিত কৰাৰ তেওঁৰ লক্ষ্যক পূৰণ কৰিবলৈ ৫০ খনতকৈয়ো অধিক দেশ ভ্ৰমণ কৰিছে।

আমেৰিকাক এতিয়া এক নম্বৰ সামৰিকশক্তিধৰ আৰু প্ৰভুত্বৰ কেন্দ্ৰবিন্দু বুলি গণ্য কৰা হয়। [আমেৰিকা হৈছে] এই প্ৰহটোৰ অন্তিম সময়লৈ ৰৈ যোৱা একমাত্ৰ চুপাৰপাওৱাৰ [“The UN Obsession” Time, May 9, 1994, p 86]। আমেৰিকাৰ ক্ষমতাই এতিয়া আটাইবিলাক গোলকীয় ঘটনাক নিৰ্ণয় কৰিব [Jim Hoaglad, “Of Heroes....” The Washington Post, August 21, 1991, p, A-23]।

বাইবেল ভাৱবানীয়ে অতি স্পষ্টকৈ ভৱিষ্যবানী কৰিছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আৰু পোপীয় ব্যৱস্হা হাতত হাত ধৰি হাত মিলাব, আৰু জগতৰ ঘটনাবোৰে অতি স্পষ্টকৈ দেখুৱাইছে যে এই মিত্ৰযোট ইতিমধ্যেই গঠন হৈ গল।


©2024 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক **Bookstore.AFTV.in**